দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৯ আগষ্ট ঃ সোণোৱাল কছাৰী সাহিত্য সভাই 'সোণোৱালমিজ'ত গ্ৰন্থ প্ৰকাশৰ লগতে কবি সন্মিলন, আলোচনা চক্ৰ আদি আয়োজন কৰি ভাষাটোৰ শ্ৰীবৃদ্ধি ঘটাব। তদুপৰি নতুন প্ৰজন্মৰ মাজত বিভিন্ন বিষয়ক প্ৰতিযোগিতাৰো আয়োজন কৰিব। তাৰবাবে 'সোণোৱালমিজ'ৰ ওপৰত জনজাতিটোৰ সকলো সাহিত্যসেৱীকে চৰ্চা বৃদ্ধিৰ বাবে আহ্বান জনাইছে সোণোৱাল কছাৰী সাহিত্য সভাৰ সভাপতি মোহন সোণোৱালে। আজি বৃহত্তৰ ডিব্ৰুগড় খ্ৰীংখ্ৰীং বাইথ' মন্দিৰ চৌহদত সভাপতি মোহন সোণোৱালৰ সভাপতিত্বত অনুষ্ঠিত এক বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত এই সম্পৰ্কত প্ৰতিষ্ঠাপক সভাপতি তথা সাহিত্যিক পেঞ্চনাৰ গুণেশ্বৰ সোণোৱালে কয় যে এনে কোনো জনজাতি নাই যাৰ ভাষা নাই। মান্য অসমীয়াত ভাষাত সাহিত্য চৰ্চা কৰিলেও 'সোণোৱালমিজ'ত চৰ্চা কৰি ভাষাটোৰ শ্ৰীবৃদ্ধি কৰাৰ প্ৰয়োজন আছে। সোণোৱালমিজত কথা-বতৰা পতা, শিশু সাহিত্য সৃষ্টি কৰা, আন ভাষাৰ সাহিত্য সোণোৱালমিজলৈ তৰ্জমা কৰা ইত্যাদি কাম কৰাৰ প্ৰয়োজন বুলি উল্লেখ কৰি তেওঁ কয় যে আধুনিক গীতেই হৈছে ভাষাটো জনপ্ৰিয় কৰাৰ উৎকৃষ্ট মাধ্যম। এয়া কোনো অসাধ্য কাম নহয় বুলি উল্লেখ কৰি সাহিত্যিকগৰাকীয়ে সোণোৱালমিজত লিখিত দুকুৰি আধুনিক গীতৰ এক পাণ্ডুলিপি প্ৰকাশৰ বাবে সভাৰ হাতত অৰ্পণ কৰে। মুখ্য সম্পাদক মৃদুল সোণোৱালে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সোণোৱাল কছাৰী বুৰঞ্জী প্ৰণয়ন সমিতিৰ হৈ অন্যতম সম্পাদক ড° নিতুমণি শইকীয়াই অগ্ৰগতি সম্পৰ্কত বক্তব্য আগবঢ়াই সকলোৰে সহযোগিতা কামনা কৰে। আনহাতে প্ৰকাশন সচিব ৰতন হাজৰিকাই সোণোৱাল কছাৰী গাঁওসমূহৰ ইতিহাস, সোণোৱাল কছাৰীৰ সফল ব্যক্তি, কৃষি আৰু উদ্যোগ সম্পৰ্কীয় গ্ৰন্থ, সোণোৱাল ভাষাত ভিন্নধৰ্মী গ্ৰন্থ প্ৰকাশৰ পৰিকল্পনা সম্পৰ্কে অৱগত কৰে। আনহাতে সভাৰ অন্যতম সম্পাদক ড° তুলসী সোণোৱালে সভাৰ দ্বাৰা প্ৰণীত ব্যাকৰণ, শব্দকোষ আদিৰ কামৰ অগ্ৰগতিৰ সম্পৰ্কত উপস্থিত ৰাইজক অৱগত কৰে। সভাত সাংগঠনিক দিশ শক্তিশালী কৰাৰ বাবে কেতবোৰ সিদ্ধান্ত গ্ৰহণৰ লগতে বাৰিষাৰ পিছতে 'সোণোৱালমিজ'ত কবি সন্মিলন, মৰাণ কলেজত সোণোৱাল ভাষা-সংস্কৃতি সম্পৰ্কীয় ৰাষ্ট্ৰীয় চেমিনাৰ আয়োজন কৰাৰ লগতে শেহতীয়াকৈ উজনি অসমত মানৱসৃষ্ট ভয়াবহ বানত বিধ্বস্ত লোকক সভাৰ তৰফৰ পৰা অতি শীঘ্ৰে প্ৰয়োজনীয় সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত সভাতেই ডিব্ৰুগড়ৰ ড° নিতুমণি শইকীয়া বড়া, বিহপুৰীয়াৰ উমেশ সোণোৱাল, মৰিছাপথাৰৰ ভাস্কৰ সোণোৱাল, অৰুণাচলৰ শ্যামল সোণোৱাল আৰু চৰাইদেউৰ শিৱ সোণোৱালক সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰাৰ লগতে শপতগ্ৰহণ কৰোৱা হয়। সভাত সংগঠনটোৰ ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি, অৰুণাচলৰ চাংলাং, নামচাই শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ প্ৰতিনিধিসকলে বক্তব্য আগবঢ়ায়। সভাত উপদেষ্টা ড° সতীশ চন্দ্ৰ বড়া, অহিন্দ্ৰ শইকীয়া, হেৰম্ব প্ৰসাদ দাস, উপ-সভাপতি ক্ৰমে ড° লবৰাম সোণোৱাল, সুমন্ত বড়া, মণিদীপা লালোৱাৰীকে ধৰি গৰিষ্ঠসংখ্যক বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহক সদস্য-সদস্যাসকল উপস্থিত থাকে।

'স্বৰ্ণলিপি', 'এছিয়া ফাউণ্ডেচন'ৰ বন্যাৰ্তক সাহায্য বিতৰণ সম্পন্ন

দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ৯ আগষ্ট ঃ সাহিত্য আলোচনী 'স্বৰ্ণলিপি'ৰ প্ৰকাশনগোষ্ঠী আৰু সামাজিক অনুষ্ঠান 'এছিয়া ফাউণ্ডেচন'ৰ উদ্যোগত আজি শিৱসাগৰ জিলাৰ পানবেচা আৰু গড়কোষৰ তিনিখন গাঁৱত বানপীড়িত প্ৰায় তিনি শতাধিক পৰিয়ালৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰা হয়। উল্লেখ্য অভূতপূৰ্বভাৱে নাগালেণ্ডৰ পৰা অহা অস্বাভাৱিক প্ৰলয়ংকাৰী বানে এইবাৰ উজনি অসমৰ চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ ব্যাপক অঞ্চলত জনজীৱনৰ বিস্তৰ ক্ষতিসাধন কৰিলে আৰু তাৰ প্ৰভাৱত পানবেচা আৰু গড়কোষৰ বিস্তীৰ্ণ এলেকাত জনসাধাৰণৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰি তোলে। সম্প্ৰতি প্ৰায় কুৰিদিন অতিক্ৰম কৰাৰ পিছতো জনসাধাৰণৰ সৰহসংখ্যক গৃহ, গাঁৱৰ বিদ্যালয়, নামঘৰ আদি বানপানীৰ কবলতে আছে যাৰ বাবে ইতিমধ্যে ক্ষতিৰ পৰিমাণ দিন-প্ৰতিদিন বৃদ্ধি পাইছে। গুৱাহাটীৰ পৰা দুখন বাহনেৰে যাত্ৰা কৰি 'স্বৰ্ণলিপি'ৰ মুখ্য সম্পাদক তথা 'এছিয়া ফাউণ্ডেচন'ৰ অধ্যক্ষ হৃদয়ানন্দ গগৈৰ নেতৃত্বত সমাজকৰ্মী নাং অঞ্জনা গগৈ, লেখিকা লতামণি শইকীয়া, উদ্যোগী ইৰু বৰুৱা, সমাজসেৱক কেশৱানন্দ গগৈ, নাটা পাছৱান, দ্বীপেন হাজং প্ৰমুখ্যে এটা দলে আজি শিৱসাগৰৰ বান-অধ্যুষিত অঞ্চলত উপস্থিত হৈ বন্যাৰ্তসকলৰ মাজত বিভিন্ন খাদ্য সামগ্ৰী, কাপোৰকানি, চাফাই দ্ৰব্য আদি ঘৰে ঘৰে বিতৰণ কৰে। উক্ত বিতৰণ কাৰ্যসূচীত বিশিষ্ট কবি মুনীন্দ্ৰ মহন্ত, অধ্যাপক ড° নিভাৰাণী ফুকন, সাংবাদিক নিৰঞ্জন শৰ্মা, স্বৰ্ণলিপিৰ সচিব ধৰিত্ৰী গোস্বামীয়ে সহযোগিতা কৰে।

চামতাত পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান সম্পন্ন

দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৯ আগষ্ট ঃ সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা পশ্চিম নলবাৰী অঞ্চলৰ কৃতি শিক্ষাৰ্থীসকলক উৎসাহিত কৰিবলৈ পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আজি চামতাৰ কামৰূপ মহাবিদ্যালয় প্ৰেক্ষাগৃহত এখন বিশেষ অভিনন্দন অনুষ্ঠান সম্পন্ন হয়। পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নয়নজ্যোতি বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত উক্ত বিশেষ অভিনন্দন অনুষ্ঠানখন উদ্বোধন কৰে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজউদ্দিন আহমদে। উক্ত অনুষ্ঠানৰ মুখ্য অতিথি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অবসৰী মুৰব্বী অধ্যাপক ড: মুকুল চক্ৰৱৰ্তীয়ে। উক্ত অনুষ্ঠানত অংশ লৈ ভাৰত চৰকাৰৰ তথ্য বিষয়া বিদ্যাসাগৰ তালুকদাৰে একাগ্ৰতা আৰু আত্মবিশ্বাস থাকিলে নিজৰ লক্ষ্যত উপনীত হ'বই বুলি উল্লেখ কৰে। পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মহঃ চাহিদুল আলম আৰু শিক্ষা সম্পাদক ৰূপজ্যোতি কাশ্যপে আঁতধৰা অনুষ্ঠানতটোত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক গুণজ্যোতি পাঠক, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা উৎপল কলিতা ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক কংকন কলিতা, নলবাৰী জিলা উন্নতি সভাৰ সভাপতি হোমেশ্বৰ তালুকদাৰ আদি কেইবাজনেও অংশ লৈ কৃতি শিক্ষাৰ্থী সকলক উদ্দেশ্যে বক্তব্য আগবঢ়াই। ইয়াৰ পিছতে পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উপ সভাপতি বিজয় বৰ্মনে আঁতধৰা অনুষ্ঠানত অঞ্চলটোৰ প্ৰায় শতাধিক কৃতি শিক্ষাৰ্থীক অভিনন্দন পত্ৰ, গ্ৰন্থ, কলম, ফাইল ক'ভাৰ আদিৰে বিশেষ অভিনন্দন জনোৱা হয়।

৮০৮নং মইনাপৰা প্ৰাথমিক বিদ্যালয়ত প্ৰাক্তন ছাত্ৰ সমাৰোহৰ প্ৰস্তুতি

স্থায়ী আদৰণী তোৰণৰ আধাৰশিলা স্থাপন

দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ৯ আগষ্ট ঃ ধেমাজি জিলাৰ বৰদলনি শিক্ষা খণ্ডৰ অন্তৰ্গত গোগামুখ মইনাপৰাস্থিত ৮০৮নং মইনাপৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সমাৰোহ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। চলিত বৰ্ষ নতুবা আগন্তুক বৰ্ষত অনুষ্ঠিত হ'বলগা উক্ত প্ৰাক্তন ছাত্ৰ সমাৰোহৰ বাবে আজি বিদ্যায়লয়খনৰ স্থায়ী তোৰণৰ আধাৰশিলা স্থাপন কৰা হয়। প্ৰধান শিক্ষক প্ৰয়াত গিৰিশ চন্দ্ৰ দলেৰ সোঁৱৰণি তথা স্মৃতি ৰক্ষাৰ্থে উক্ত আদৰণি তোৰণ নিৰ্মাণ কৰা হ'ব। আদৰণি তোৰণৰ নিৰ্মাণৰ দাঁতা হৈছে গিৰিশ চন্দ্ৰ দলেৰ সুযোগ্য সন্তানদ্বয় তথা কৃতি শিক্ষক পবিত্ৰ দলে, দুৰ্গেশ্বৰ দলে আৰু তেওঁলোকৰ পৰিয়াল। আজি পুৱা শতাধিক ৰাইজৰ উপস্থিতিত শিক্ষক পবিত্ৰ দলে আৰু দুৰ্গেশ্বৰ দলেয়ে তোৰণখনৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন অনুষ্ঠানত উপস্থিত থাকে গোগামুখ জিলা পৰিষদৰ সদস্য জ্যোতিপ্ৰভা পেগু দলে, গোগামুখ গাঁ পঞ্চায়তৰ সভাপতি পদ্মধৰ কামান, অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক নন্দেশ্বৰ কামান, দিলীপ কামান, মইনাপৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী কুসুম বুঢ়াগোঁহাই, বিষয় শিক্ষক কেশৱ চুংক্ৰাং, এম এম কেৰ ধেমাজি জিলা সমিতিৰ সদস্য চিত্ৰৰঞ্জন চাংমাই প্ৰমুখ্যে স্থানীয় গণ্য-মান্য ব্যক্তিসকলে। আধাৰশিলা স্থাপনৰ পিছত বিদ্যালয়খনত এখন সভা অনুষ্ঠিত হয়। সভাত প্ৰাক্তন ছাত্ৰ সমাৰোহৰ বাবে বহুকেইটা গুৰুত্বপূৰ্ণ দিশ আলোচন কৰা হয়। উল্লেখ্য, ৮০৮ নং মইনাপৰা প্ৰাথমিক বিদ্যালয়খন গোগামুখৰ অতি পুৰণি শিক্ষায়তনিক। ১৯৫৭ চনতে প্ৰতিষ্ঠা লাভ কৰা বিদ্যালয়খনে গোগামুখ-মইনাপৰা অঞ্চলৰ পৰা বহু মানৱ সম্পদ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। এনেপৰিপ্ৰেক্ষিতত বিদ্যালয়খনৰ পৰিয়ালে প্ৰাক্তন ছাত্ৰ সমাৰোহতসমূহ গোগামুখবাসীৰ সহযোগিতা বিচাৰিছে।

কৃষক-শ্ৰমিকৰ ন্যায্য দাবীৰ আন্দোলনলৈ এছ এফ আইৰ পূৰ্ণ সমৰ্থন

দৈনন্দিন বাৰ্তাৰ সেৱা, ৯ আগষ্ট ঃ চি আই টি ইউ, অসম ৰাজ্যিক কৃষক সভা আৰু অসম ৰাজ্যিক কৃষি শ্ৰমিক ইউনিয়নৰ যৌথ উদ্যোগত অহা ১০ আগষ্টত বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয় ঘেৰাও কৰি অনুষ্ঠিত হ'বলগীয়া 'জে'ল ভৰো' কাৰ্যসূচীৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছে ভাৰতৰ ছাত্ৰ ফেডাৰেচন (এছ এফ আই), বৰপেটা জিলা কমিটীয়ে। এক বিবৃতিত সংগঠনটোৱে কয় যে কৃষক-শ্ৰমিকৰ জীৱন-জীৱিকা, মৰ্যাদা আৰু সাংবিধানিক অধিকাৰ সুৰক্ষাৰ বাবে উত্থাপন কৰা দাবীসমূহ সম্পূৰ্ণ ন্যায়সংগত আৰু জনস্বাৰ্থৰ সৈতে জড়িত। সেয়ে এই আন্দোলনক সফল কৰি তোলাটো কেৱল কৃষক-শ্ৰমিকৰ দায়িত্ব নহয়, বৰঞ্চ ছাত্ৰ-যুৱ সমাজসহ সকলো গণতান্ত্ৰিক শক্তিৰ দায়িত্ব। এছ এফ আই, বৰপেটা জিলা কমিটিৰ সভাপতি কমৰেড পি আৰ ধীমান, সম্পাদক কমৰেড দেৱান ইফতিকাৰ হুছেইন আৰু যুটীয়া সম্পাদক কমৰেড আফতাদ বাঁহমূৰীয়াই যৌথভাৱে প্ৰকাশ কৰা বিবৃতিত কয় যে দেশত কৃষি আৰু গ্ৰাম্য অৰ্থনীতি গভীৰ সংকটৰ মাজেৰে পাৰ হৈ আছে। এফালে কৃষকসকলে উৎপাদিত শস্যৰ ন্যায্য মূল্য লাভ কৰা নাই, আনফালে কৃষি শ্ৰমিকসকলে পৰ্যাপ্ত কৰ্মসংস্থান, ন্যূনতম মজুৰি, সামাজিক সুৰক্ষা আৰু বাসস্থানৰ দৰে মৌলিক অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। চৰকাৰৰ জনবিৰোধী নীতিৰ ফলত এই সংকট অধিক গভীৰ হৈছে। বিবৃতিত উল্লেখ কৰা হয় যে কৃষক সভা আৰু কৃষি শ্ৰমিক ইউনিয়নে উত্থাপন কৰা দাবীসমূহ কেৱল কোনো এটা সংগঠনৰ দাবী নহয়, ই ৰাজ্যৰ লাখ লাখ কৃষক, কৃষি শ্ৰমিক আৰু দৰিদ্ৰ গ্ৰাম্য জনসাধাৰণৰ জীৱন-মৰণৰ সৈতে জড়িত। ৩০ বছৰৰ উৰ্দ্ধৰ সকলো কৃষক আৰু কৃষি শ্ৰমিকক মাহিলী পেঞ্চন প্ৰদান, কৃষি শ্ৰমিকৰ ন্যূনতম মজুৰি ২৬ হাজাৰ টকা নিৰ্ধাৰণ, এমজিএনৰেগাৰ ২০০ দিনৰ কৰ্মসংস্থান নিশ্চিত কৰা, সময়মতে মজুৰি প্ৰদান, গৃহহীনক আৱাস যোজনা, ভূমিহীনক মাটি প্ৰদান, খাদ্য সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰা, কৃষক-শ্ৰমিকৰ সামাজিক সুৰক্ষা নিশ্চিত কৰা, শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত চৰকাৰী ব্যয় বৃদ্ধি কৰাৰ দৰে দাবীসমূহ দীৰ্ঘদিন ধৰি উপেক্ষিত হৈ আছে। বিবৃতিত কৃষি শ্ৰমিক ইউনিয়নৰ ১০ দফীয়া দাবীসমূহৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন প্ৰকাশ কৰি এছ এফ আইয়ে কয় যে এই দাবীসমূহ বাস্তৱায়িত হ'লে গ্ৰাম্য অৰ্থনীতি শক্তিশালী হোৱাৰ লগতে সমাজত বৈষম্য হ্ৰাস পাব। চৰকাৰে আন্দোলনকাৰীৰ কণ্ঠ দমন কৰাৰ পৰিৱৰ্তে তেওঁলোকৰ দাবীৰ প্ৰতি ইতিবাচক মনোভাব গ্ৰহণ কৰা উচিত।সভাপতি কমৰেড পি আৰ ধীমান কয় যে দেশৰ শিক্ষা ব্যৱস্থা, কৃষি ব্যৱস্থা আৰু কৰ্মসংস্থাপনৰ সংকট পৰস্পৰৰ সৈতে গভীৰভাৱে জড়িত। কৃষক-শ্ৰমিকৰ সংকট সমাধান নোহোৱাকৈ ছাত্ৰ-যুৱ সমাজৰ ভৱিষ্যৎও সুৰক্ষিত হ'ব নোৱাৰে। সেয়ে এছ এফ আই সদায় জনস্বাৰ্থৰ আন্দোলনৰ কাষত আছিল আৰু আগলৈও থাকিব। সম্পাদক কমৰেড দেৱান ইফতিকাৰ হুছেইনে কয় যে সংবিধানপ্ৰদত্ত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি আন্দোলন কৰাটো প্ৰতিজন নাগৰিকৰ অধিকাৰ। কৃষক-শ্ৰমিকৰ ন্যায্য দাবীৰ প্ৰতি চৰকাৰে সংবেদনশীল হোৱা উচিত। দমন-পীড়ন বা উপেক্ষাৰে এই সমস্যাৰ সমাধান সম্ভৱ নহয়। বৰং আলোচনাৰ জৰিয়তে দাবীসমূহ বাস্তৱায়নৰ দিশত আগবাঢ়িব লাগে। যুটীয়া সম্পাদক কমৰেড আফতাদ বাঁহমূৰীয়াই কয় যে আজিৰ ছাত্ৰ সমাজ কেৱল শ্ৰেণীকোঠাৰ মাজত সীমাবদ্ধ থাকিলে নহ'ব। সমাজৰ শোষিত-বঞ্চিত শ্ৰেণীৰ অধিকাৰৰ বাবে সংগ্ৰামত অংশগ্ৰহণ কৰাটোও ছাত্ৰ সমাজৰ ঐতিহাসিক দায়িত্ব। কৃষক আৰু কৃষি শ্ৰমিকৰ সংগ্ৰাম সফল হ'লে তাৰ সুফল সমগ্ৰ সমাজে লাভ কৰিব। সেইবাবে বৰপেটা জিলাৰ সকলো মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীক ১০ আগষ্টৰ 'জে'ল ভৰো' কাৰ্যসূচীত ব্যাপক সংখ্যাত অংশগ্ৰহণ কৰিবলৈ আমি আহ্বান জনায়। বিবৃতিৰ শেষত এছ এফ আই, বৰপেটা জিলা কমিটিয়ে স্পষ্ট কৰি কয় যে কৃষক-শ্ৰমিকৰ ন্যায়সংগত দাবীৰ প্ৰতি সংগঠনটোৰ পূৰ্ণ সমৰ্থন অব্যাহত থাকিব। জনস্বাৰ্থৰ সকলো গণতান্ত্ৰিক আন্দোলনৰ সৈতে এছ এফ আই ঐক্যবদ্ধভাৱে থিয় দিব আৰু আন্দোলন সফল কৰাৰ ক্ষেত্ৰত ছাত্ৰ সমাজে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব বুলি সংগঠনটোৱে আশা প্ৰকাশ কৰে। ইয়াৰোপৰি কমিটিয়ে শিক্ষাৰ ব্যক্তিগতকৰণ আৰু বাণিজ্যিকীকৰণ বন্ধ কৰি ৰাজহুৱা শিক্ষা ৰক্ষা কৰিবলৈ দাবী জনায়। উল্লেখযোগ্য ২০১৬-১৭ বৰ্ষত অসমত চৰকাৰী আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়ৰ সংখ্যা আছিল ৫৮,০৯০খন। ২০২৫-২৬ বৰ্ষত এই সংখ্যা ৪৬,০৬৯খনলৈ হ্ৰাস পায়। অৰ্থাৎ, বিগত ১০ বছৰত ১২,০২১খন চৰকাৰী বিদ্যালয় বন্ধ হৈছে। ইয়াৰ বিপৰীতে, একে সময়ছোৱাত ব্যক্তিগতখণ্ডৰ বিদ্যালয়ৰ সংখ্যা ৪,৭৪৫ খনৰ পৰা ৬,৮৮১ খনলৈ বৃদ্ধি পাইছে, অৰ্থাৎ ২,১৩৬খন নতুন ব্যক্তিগত বিদ্যালয় সংযোজিত হৈছে।

বানপানীত ক্ষতিগ্ৰস্ত লোকক সহায়ৰ হাত হোটেল জে পি ইণ্টাৰনেচনেলৰ সঞ্চালক জয় প্ৰকাশ যাদৱৰ

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১ লাখ টকাৰ অনুদান

দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ৯ আগষ্ট ঃ অসমত চলি থকা বানপানীৰ ফলত ক্ষতিগ্ৰস্ত লোকসকলক সহায় কৰাৰ উদ্দেশ্যে হোটেল জে পি ইণ্টাৰনেছনেলৰ সঞ্চালক জয় প্ৰকাশ যাদৱে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১ লাখ টকাৰ সাহায্য আগবঢ়াইছে। তেওঁ এই ধনৰাশি চেকৰ জৰিয়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ব্যক্তিগতভাৱে অৰ্পণ কৰে। এই উপলক্ষে মুখ্যমন্ত্ৰীয়ে জয় প্ৰকাশ যাদৱৰ এই সহায়মূলক পদক্ষেপৰ শলাগ লৈ কয় যে দুৰ্যোগৰ সময়ত সমাজৰ বিভিন্ন স্তৰৰ লোকসকলৰ সহায়-সহযোগিতাই ক্ষতিগ্ৰস্তসকলক সকাহ প্ৰদানত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ইফালে যাদৱে আন ব্যক্তি আৰু সংগঠনসমূহকো আগবাঢ়ি আহি বানপানী পীড়িত লোকসকলৰ সহায়ৰ বাবে অৰ্থিক তথা অন্যান্য সহায় আগবঢ়াবলৈ আহ্বান জনায়।

জেমছ ৱাৰেন টি লিমিটেড
চিআইএন ঃ L15491AS2009PLC009345
পঞ্জীয়নভুক্ত কাৰ্যালয় ঃ বৰদলৈ নগৰ, বাইলেন-৬, ছেক্টৰ ২, তিনিচুকীয়া, অসম ৭৮৬১২৫, দূৰভাষঃ ০৩৭৪-২৩৩০০২০
কৰ্পোৰেট কাৰ্যালয় ঃ ১২, প্ৰিটৰিয়া ষ্ট্ৰীট, কলকাতা ৭০০০৭১, টেলিফোন ঃ ০৩৩-৪০৩৪১০০০, টেলি ফেক্স ঃ ০৩৩-৪০৩৪১০১৫
ইমেইল ঃ sec@jwtl.in, ৱেবছাইট ঃ 322www.jameswarrentea.com

৩০ জুন, ২০২৬ ত অন্ত পৰা তিনিমহীয়াৰ আন-অডিটেট বিত্তীয় ফলাফলৰ সাৰাংশ
(₹ টকা লাখত)

ক্ৰ. নং.	বিৱৰণ	৩০.০৬.২০২৬ ত অন্ত পৰা ৩ মাহ	৩০.০৬.২০২৫ ত অন্ত পৰা ৩ মাহ	৩১.০৩.২০২৬ ত অন্ত পৰা বছৰ
		আন-অডিটেট	আন-অডিটেট	অডিটেট
1	কাৰ্যকলাপৰ পৰা মুঠ উপাৰ্জন	1,743.06	2,604.58	11,138.53
2	সময়ছোৱাৰ বাবে মুঠ লাভ/(লোকচান)(কৰ, ব্যতিক্ৰমী আৰু/অথবা অসাধাৰণ সামগ্ৰীৰ পূৰ্বে)	1,306.00	1,673.79	1,336.55
3	কৰৰ পূৰ্বে সময়ছোৱাৰ বাবে মুঠ লাভ/(লোকচান) (ব্যতিক্ৰমী আৰু/অথবা অসাধাৰণ সামগ্ৰীৰ পিছত)	1,306.00	1,673.79	1,336.55
4	কৰৰ পিছত সময়ছোৱাৰ বাবে মুঠ লাভ/(লোকচান) (ব্যতিক্ৰমী আৰু/অথবা অসাধাৰণ সামগ্ৰীৰ পিছত)	945.31	1,424.23	1,242.21
5	সময়ছোৱাৰ বাবে মুঠ সৰ্বাত্মক উপাৰ্জন (সমগ্ৰ সময়ছোৱাৰ বাবে লাভ / (লোকচান) (কৰৰ পিছত) আৰু অন্যান্য সৰ্বাত্মক উপাৰ্জন (কৰৰ পিছত))	1,055.33	1,467.80	1,013.94
6	ইকুইটি শ্বেয়াৰ মূলধন	370.00	370.00	370.00
7	অন্যান্য ইকুইটি (পুনৰ মূল্যাংকন সংৰক্ষিত পুঁজিৰ বাহিৰে)	-	-	19,422.47
8	প্ৰতিটো শ্বেয়াৰৰ উপাৰ্জন (প্ৰতিটো ১০/- টকাৰ) (অব্যাহত আৰু বন্ধ হৈ পৰা কাৰ্যকলাপৰ বাবে)*			
	বেছিক (₹):	25.55	38.49	33.57
	ডাইলুটেড(₹):	25.55	38.49	33.57

*বাৰ্ষিক কৰা হোৱা নাই
টোকা ঃ
১. পূৰ্বোক্ত নিৰীক্ষণ নকৰা বিত্তীয় ফলাফলসমূহ নিৰীক্ষণ সমিতিয়ে পৰ্যালোচনা কৰিছে আৰু ৮ আগষ্ট, ২০২৬ তাৰিখে অনুষ্ঠিত ব'ৰ্ডৰ বৈঠকত অনুমোদন জনোৱা হৈছে।
২. উপৰিউক্ত তথ্যখিনি ছেবি (তালিকাভুক্ত কৰাৰ বাধ্যবাধকতা আৰু প্ৰকাশৰ প্ৰয়োজনীয়তা) নিয়মাৱলী, ২০১৫-ৰ নিয়ম ৩৩-ৰ অধীনত ষ্টক এ'চেঞ্জত দাখিল কৰা ৩০ জুন, ২০২৬ ত অন্ত পৰা তিনিমহীয়াৰ আন-অডিটেট বিত্তীয় ফলাফলৰ বিস্তৃত ফৰ্মেটৰ এক সুকীয়া অংশ। পূৰ্বোক্ত বিত্তীয় ফলাফলৰ সম্পূৰ্ণ ফৰ্মেট বিএছইৰ ৱেবছাইট (322www.bseindia.com) আৰু কোম্পানীৰ ৱেবছাইট (322www.jameswarrentea.com)-ত উপলব্ধ।

পৰিচালনা সঞ্চালকৰ পৰিষদৰ আদেশমৰ্মে
জেমছ ৱাৰেণ টি লিমিটেডৰ বাবে
স্বা/-
সন্দীপ দাস (পূৰ্ণকালীন সঞ্চালক)
ডিআইএন: ০৭৯৭৯৭৯১
স্থান ঃ কলকাতা
তাৰিখ ঃ ০৮.০৮.২০২৬

বেংক অফ বৰোদা Bank of Baroda — **নিবিদা জাননী** — 119 FOUNDATION YEAR LEADING WITH TRUST

বেংক অফ বৰোদা, উত্তৰ পূৰ্বাঞ্চল ৰাজ্য অঞ্চল, গুৱাহাটীৰ অধীনত অৱস্থিত সকলো শাখা আৰু কাৰ্যালয়ৰ বৈদ্যুতিক অডিট কৰিবলৈ ব্যুৰো অফ এনাৰ্জি ইফিচিয়েন্সি (বিইই) (ভাৰত চৰকাৰ)-ৰ পৰা অনুমোদিত অনুজ্ঞাপত্ৰপ্ৰাপ্ত বৈদ্যুতিক অডিটৰ / ফাৰ্মৰ পৰা ছীল কৰা নিবিদা আহ্বান কৰা হৈছে।
নিবিদা জমা দিয়াৰ অন্তিম তাৰিখ : ৩১-০৮-২০২৬, দুপুৰীয়া ১৫:০০ বজালৈ। অধিক বিৱৰণৰ বাবে বেংকৰ ৱেবছাইট: https://bankofbaroda.bank.in/tenders/zonal-regional-offices-ৰ নিবিদা শাখাত লগ অন কৰক।
তাৰিখ ঃ ১০/০৮/২০২৬
স্থান ঃ গুৱাহাটী
মহাপ্ৰবন্ধক আৰু অঞ্চল প্ৰধান
উত্তৰ পূৰ্বাঞ্চল ৰাজ্য অঞ্চল

HDFC BANK We understand your world
পঞ্জীয়নভুক্ত কাৰ্যালয় ঃ এইচডিএফচি বেংক হাউছ, সেনাপতি বাপাট মাৰ্গ, লোৱাৰ পাৰেল (ৱেষ্ট), মুম্বাই - ৪০০ ০১৩ আৰু ইয়াৰ অন্যতম কাৰ্যালয় ৰিটেইল পৰ্টফলিঅ' মেনেজমেন্ট, এইচডিএফচি বেংক লিঃ, ১ম মহলা, আই-থিংক টেকনো কেম্পাছ, কাঞ্জুৰমাৰ্গ (ইষ্ট), মুম্বাই — ৪০০০৪২

এইচডিএফচি বেংক লিঃ-ৰ ওচৰত বন্ধক ৰখা ছিকিউৰিটিসমূহ বিক্ৰীৰ অৱগতি আৰু বিক্ৰী জাননী

এইচডিএফচি বেংক লিঃ (কোম্পানী/বেংক)-ৰ পৰা ছিকিউৰিটিৰ বিপৰীতে ঋণ/অভাৰড্ৰাফ্ট প্ৰকৃতিৰ ঋণ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে বেংকৰ ওচৰত বন্ধক ৰখা ছিকিউৰিটিসমূহ বিক্ৰী সন্দৰ্ভত তলত উল্লেখ কৰা ঋণগ্ৰহণাৰীসকলক ইয়াৰ দ্বাৰা অৱগত কৰা হৈছে।
সন্মত ঋণ / সুবিধাৰ চৰ্ত অনুসৰি বাকী থকা ধন পৰিশোধ কৰাত ঋণগ্ৰহীতাসকলৰ ক্ৰমাগত ব্যৰ্থতাৰ বাবে, তলৰ ঋণ / সুবিধাৰ একাউণ্টসমূহ ডিফল্ট অৱস্থাত আছে বা এনপিএ (অনুৎপাদনশালী সম্পদ) হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। বেংকে এই ঋণগ্ৰহণকাৰীসকললৈ বহুতো জাননী / ঋণ পুনৰুদ্ধাৰ জাননী প্ৰেৰণ কৰিছে, যাত তলত উল্লেখ কৰা তাৰিখত চূড়ান্ত বিক্ৰী জাননীও অন্তৰ্ভুক্ত আছে, যাৰ জৰিয়তে বেংকে বন্ধক তলব কৰিছিল আৰু ঋণগ্ৰহীতাক তলৰ একাউণ্টসমূহৰ সমগ্ৰ বকেয়া ধন পৰিশোধ কৰিবলৈ ৭ দিনৰ সময় প্ৰদান কৰিছিল, য'ত ব্যৰ্থ হ'লে, এই বিষয়ত কোনো অতিৰিক্ত জাননী প্ৰদান নকৰাকৈ বন্ধক ৰখা ছিকিউৰিটিসমূহ বিক্ৰী কৰিবলৈ বেংক স্বাধীন হ'ব। ঋণগ্ৰহণকাৰীসকলে উচিত পৰিশোধ কৰাত অৱহেলা আৰু ব্যৰ্থ হৈছে, সেয়েহে, বেংকে বন্ধকীয় ধাৰক হিচাপে ঋণ চুক্তিৰ অধীনত নিজৰ অধিকাৰ প্ৰয়োগ কৰি ঋণগ্ৰহণকাৰীসকলে বেংকক দিবলগীয়া ধন উদ্ধাৰৰ বাবে **১৭ আগষ্ট ২০২৬** বা তাৰ পিছত ছিকিউৰিটিসমূহ বিক্ৰী/নিষ্পত্তি কৰাৰ সিদ্ধান্ত লৈছে। ঋণগ্ৰহণকাৰীসকলক ইয়াৰ দ্বাৰা অৱগত কৰা হৈছে যে ইণ্ডিয়ান কণ্ট্ৰেক্ট এক্ট, ১৮৭২-ৰ ধাৰা ১৭৬-ৰ অনুসৰণত ইয়াক বিক্ৰী জাননী হিচাপে গণ্য কৰিব লাগে। ঋণগ্ৰহণকাৰীসকলক এইবুলিও অৱগত কৰা হৈছে যে, যদি কোনো সময়ত শ্বেয়াৰ বজাৰৰ অস্থিৰতাৰ বাবে বন্ধক ৰখা ছিকিউৰিটিসমূহৰ মূল্য আৰু হ্ৰাস পায় আৰু মাৰ্জিনৰ প্ৰয়োজনীয়তাত অধিক ঘাটিৰ সৃষ্টি হয়, তেন্তে বেংকে নিজৰ স্বেচ্ছাধীন ক্ষমতাত এই বিষয়ত কোনো অতিৰিক্ত জাননী নিদিয়াকৈ এক (১) কেলেণ্ডাৰ দিনৰ ভিতৰত বন্ধক ৰখা ছিকিউৰিটি বিক্ৰী কৰিব। বন্ধক ৰখা ছিকিউৰিটি বিক্ৰীৰ পৰা প্ৰাপ্ত ধন সমযোজন কৰাৰ পিছতো, বাকী থকা যিকোনো বকেয়া ধন পৰিশোধৰ বাবে ঋণগ্ৰহণকাৰী(সকল) বেংকৰ ওচৰত দায়বদ্ধ হৈ থাকিব।

ক্ৰ নং	ঋণ একাউণ্ট নম্বৰ	ঋণগ্ৰহণকাৰীৰ নাম	০৬ আগষ্ট ২০২৬ লৈকে বকেয়া পৰিমাণ	বিক্ৰী জাননীৰ তাৰিখ
1	XXXXXXXXXX0013	ভাস্কৰ বেজবৰুৱা	1,95,508.42	07-08-2026
2	XXXXXXXXXX8149	জীৱ কান্ত বৰা	9,06,633.03	06-08-2026
3	XXXXXXXXXX5142	মুস্তানা বেগম	2,92,731.00	07-08-2026
4	XXXXXXXXXX8581	সুনীতা শৰ্মা	15,23,130.00	07-08-2026
5	XXXXXXXXXX7956	প্ৰশান্ত চুতীয়া	2,31,881.00	07-08-2026
6	XXXXXXXXXX9588	অভিষেক দাস	3,17,419.76	06-08-2026
7	XXXXXXXXXX9972	ৰুদ্ৰীপ সৰস্বতী	1,10,907.35	07-08-2026
8	XXXXXXXXXX1712	সুজয় দত্ত	1,92,755.63	07-08-2026
9	XXXXXXXXXX3591	পৱন কুমাৰ পোদ্দাৰ	9,76,989.15	06-08-2026
10	XXXXXXXXXX6789	ৰক্তিম ৰঞ্জন বৰা	6,25,651.01	07-08-2026
11	XXXXXXXXXX9888	কৃষ্ণা শইকীয়া	10,04,796.09	06-08-2026
12	XXXXXXXXXX9329	মুন্না কুমাৰ সিংহ	20,14,405.32	07-08-2026
13	XXXXXXXXXX4625	জিতামণি দত্ত	76,455.93	06-08-2026
14	XXXXXXXXXX7122	আশীষ আগৰৱাল	7,75,272.01	07-08-2026
15	XXXXXXXXXX9877	অঞ্জলি গগৈ	86,145.73	07-08-2026
16	XXXXXXXXXX1791	মালা গাৰোদিয়া	4,73,947.28	06-08-2026
17	XXXXXXXXXX6343	বিষ্ণু গাৰোদিয়া	2,64,134.99	06-08-2026
18	XXXXXXXXXX6226	স্বেজল ভগত	4,79,480.67	06-08-2026
19	XXXXXXXXXX0430	দয়েল চক্ৰৱৰ্তী	31,704.72	06-08-2026
20	XXXXXXXXXX1648	কমল চন্দ্ৰ গগৈ	1,91,349.29	07-08-2026
21	XXXXXXXXXX7444	সীমা দেৱী মিশ্ৰ	6,12,972.18	07-08-2026
22	XXXXXXXXXX7198	গুণজিৎ বায়ন	5,69,879.62	06-08-2026
23	XXXXXXXXXX4227	জয়া বাৰাই	52,323.60	06-08-2026
24	XXXXXXXXXX5985	নাছৰীন খানম	6,02,548.82	06-08-2026
25	XXXXXXXXXX1499	চয়ন শৰ্মা	1,32,325.26	07-08-2026
26	XXXXXXXXXX5525	অঞ্জলি বৰঠাকুৰ	8,27,976.30	07-08-2026
27	XXXXXXXXXX6867	পাপৰি শইকীয়া	5,047.90	07-08-2026
28	XXXXXXXXXX4045	বেণিকা গোৱেল	3,59,570.36	07-08-2026
29	XXXXXXXXXX3053	মনমিল কলিতা	10,05,678.95	06-08-2026
30	XXXXXXXXXX1829	সুচিতা জৈন	3,41,582.82	07-08-2026
31	XXXXXXXXXX2378	বংশ বাহাদুৰ চৌহান	10,09,148.00	06-08-2026
32	XXXXXXXXXX4990	সীমান্ত কাকতি	3,24,425.82	06-08-2026
33	XXXXXXXXXX6531	অনুপ জ্যোতি বড়ো	3,04,544.82	06-08-2026
34	XXXXXXXXXX5260	ললিত কুমাৰ আগৰৱাল	5,80,195.82	07-08-2026

তাৰিখ ঃ ১০.০৮.২০২৬
স্থান ঃ অসম
স্বা/-
এইচডিএফচি বেংক লিঃ

HDB Financial Services Limited — HDB FINANCIAL SERVICES
৩য় মহলা, বিল্ডিং নং ঃ ৩০৬, মিলেনিয়াম বিজনেছ পাৰ্ক, ৰামাদা হোটেলৰ বিপৰীতে, টিটিচি ইণ্ডাষ্ট্ৰিয়েল এৰিয়া, ছেক্টৰ - ২, মহাপে, নৱী মুম্বাই - ৪০০৭০৫
দূৰভাষ নং ঃ+৯১ ২২ ৪৯১১৬৩০০

সোণৰ অলংকাৰৰ চূড়ান্ত নীলাম তথা বিক্ৰী জাননী

বিশেষভাৱে ঋণগ্ৰহণকাৰী (সকল)ক (যিসকলৰ বিৱৰণ তলৰ তালিকাত দিয়া হৈছে) আৰু সাধাৰণ ৰাইজক ইয়াৰ দ্বাৰা অৱগত কৰা হয় যে তলত উল্লেখ কৰা একাউণ্টসমূহৰ বকেয়া ধন পৰিশোধৰ সময় উকলি গৈছে, আৰু ঋণগ্ৰহণকাৰী (সকল)ৰ দ্বাৰা স্বাক্ষৰিত/গৃহীত তলত উল্লেখ কৰা ঋণ সম্পৰ্কীয় নথি-পত্ৰ ("ঋণ চুক্তি") অনুসৰি বকেয়া ধন পৰিশোধ কৰিবলৈ অনুৰোধ জনাই এইচডিবি ফাইনেঞ্চিয়েল ছাৰ্ভিচেছ লিমিটেড ("কোম্পানী")-ৰ দ্বাৰা প্ৰেৰণ কৰা যোগাযোগ আৰু জাননীৰ কোনো উত্তৰ/পালন ঋণগ্ৰহণকাৰী/একাউণ্টধাৰীসকলে কৰা নাই, আৰু সেয়েহে ইয়াৰ চৰ্ত অনুসৰি ডিফল্ট হৈছে। কোম্পানীয়ে বন্ধকীয় ধাৰক হিচাপে নিজৰ অধিকাৰ প্ৰয়োগ কৰি বন্ধক কাৰ্যকৰী কৰাৰ সিদ্ধান্ত লৈছে আৰু সেয়েহে ঋণৰ সুৰক্ষা হিচাপে কোম্পানীৰ ওচৰত বন্ধক ৰখা সোণৰ অলংকাৰসমূহ বিক্ৰী কৰি ঋণগ্ৰহণকাৰী(সকল)ৰ পৰা কোম্পানীয়ে পাবলগীয়া বকেয়া ধন উদ্ধাৰ/আদায় কৰাৰ উদ্দেশ্যৰে ইয়াৰ ৰাজহুৱা নিলাম অনুষ্ঠিত কৰিব। তলৰ তালিকাত উল্লেখ কৰা তাৰিখ আৰুশাখাসমূহত ১৮-০৮-২০২৬ তাৰিখে বা তাৰ পিছত ৰাতিপুৱা ১১.০০ বজাৰ পৰা এইচডিবি ফাইনেঞ্চিয়েল ছাৰ্ভিচেছ লিমিটেডৰ স্থানীয় শাখাত এই নিলাম অনুষ্ঠিত হ'ব;-

ঋণ নং	গ্ৰাহকৰ নাম	ঋণৰ তাৰিখ	বকেয়া পৰিমাণ ₹	শাখাৰ নাম
51019782	গণেশ গুপ্তা	30-06-2024	11457	গুৱাহাটী-দিছপুৰ
57336603	অঞ্জলি কলিতা	06-11-2024	10340	গুৱাহাটী-দিছপুৰ
70882075	ৰঞ্জিত দাস	15-09-2025	8410	গুৱাহাটী-দিছপুৰ
68357834	সুধীৰ মণ্ডল	18-07-2025	22659	গুৱাহাটী-ফাঁচীবজাৰ
74448330	গুণমণি ৰাভা ৰামদে	04-12-2025	12967	গুৱাহাটী- ফাঁচীবজাৰ

নিলাম প্ৰক্ৰিয়া **"যি স্থানত যি অৱস্থাত আছে"** আৰু **"যি ৰূপত আছে"** ভিত্তিত অনুষ্ঠিত হ'ব আৰু কোম্পানীয়ে উক্ত সোণৰ অলংকাৰসমূহৰ গুণাগুণ, বিশুদ্ধতা, কেৰেট, ওজন বা মূল্যাংকন সন্দৰ্ভত কোনো ধৰণৰ প্ৰতিনিধিত্ব বা ৱাৰেণ্টী প্ৰদান কৰা নাই আৰু নকৰে। বিড দাখিল কৰাৰ পূৰ্বে উক্ত সোণৰ অলংকাৰৰ গুণাগুণ, বিশুদ্ধতা, কেৰেট, ওজন বা মূল্যাংকন পৰীক্ষা কৰি নিজকে সন্তুষ্ট কৰাটো সম্ভাব্য ক্ৰেতাৰ একমাত্ৰ আৰু সম্পূৰ্ণ দায়িত্ব হ'ব আৰু এই উদ্দেশ্যৰে সম্ভাব্য ক্ৰেতাসকলে নিজৰ খৰচত আৰু ওপৰত উল্লেখ কৰা ঠিকনাত, নিলাম অনুষ্ঠিত কৰাৰ বাবে নিৰ্ধাৰিত সময়ৰ ৪৫ মিনিট পূৰ্বে বিশেষজ্ঞৰ পৰামৰ্শৰ সৈতে বা অবিহনে সোণৰ অলংকাৰসমূহ পৰীক্ষা কৰিব পাৰিব। সকলো বিড কোম্পানীয়ে এই সন্দৰ্ভত নিৰ্ধাৰণ কৰা নিম্নতম সংৰক্ষিত মূল্যৰ অধীন হ'ব। এনে নিলামৰ পৰিপ্ৰেক্ষিতত অনুষ্ঠিত নিলাম প্ৰক্ৰিয়া আৰু বিক্ৰী (যদি হয়) কোম্পানীয়ে নিজৰ স্বেচ্ছাধীন ক্ষমতাত আৰোপ কৰিব বিচৰা অতিৰিক্ত চৰ্তসমূহৰ অধীন হ'ব।
যদি উপৰিউক্ত ঋণগ্ৰহণকাৰীয়ে(সকল) নিলামৰ পূৰ্বে তেওঁৰ ব্যক্তিগত ঋণ একাউণ্টত কোম্পানীয়ে পাবলগীয়া ধন সমুদায় পৰিশোধ কৰে, তেন্তে উক্ত ঋণৰ সুৰক্ষা হিচাপে থকা বন্ধকীয় অলংকাৰসমূহ কোনো অতিৰিক্ত জাননী নিদিয়াকৈ উক্ত নিলামৰ পৰা প্ৰত্যাহাৰ কৰা হ'ব পাৰে। অনুগ্ৰহ কৰি মন কৰিব যে কোনো পূৰ্বজাননী নিদিয়াকৈ আৰু কোনো কাৰণ দৰ্শোৱাকৈ নিলাম প্ৰক্ৰিয়া স্থগিত ৰখা বা বাতিল কৰা আৰু কোনো কাৰণ নদৰ্শোৱাকৈ যিকোনো বা সকলো বিড বা প্ৰস্তাৱ প্ৰত্যাখ্যান কৰাৰ সম্পূৰ্ণ স্বেচ্ছাধীন ক্ষমতা কোম্পানীৰ নিম্নস্বাক্ষৰকাৰী কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ থাকিব।
স্থান ঃ অসম
তাৰিখ ঃ ১০-০৮-২০২৬
কৰ্তৃত্বপ্ৰাপ্ত বিষয়া
(এইচডিবি ফাইনেঞ্চিয়েল ছাৰ্ভিচেছ লিঃ)

TATA
টাটা কেপিটেল হাউছিং ফাইনেঞ্চ লিমিটেড
পঞ্জীয়নভুক্ত ঠিকনা ঃ একাদশ মহলা, টাৱাৰ এ, পেনিনচুলা বিজনেছ পাৰ্ক, গণপতৰাও কদম মাৰ্গ, লোৱাৰ পাৰেল, মুম্বাই - ৪০০০১৩
শাখাৰ ঠিকনা ঃ টাটা কেপিটেল হাউছিং ফাইনেঞ্চ লিমিটেড, চিটিএইচএফএল, ৩০১, ৰয়েল আৰ্কেড, ৩য় মহলা, বি বৰুৱা ৰোড, গুৱাহাটী, পিন - ৭৮১০০৭, অসম

স্থাৱৰ সম্পত্তি বিক্ৰীৰ জাননী
(ছিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ ২০০২-ৰ ৰুল ৯(১)-ৰ সৈতে পঠিত ৰুল ৮(৬)-ৰ অধীনত)
ছিকিউৰিটাইজেচন এণ্ড ৰিকনষ্ট্ৰাকচন অৱ ফাইনেঞ্চিয়েল এছেটছ এণ্ড এনফৰ্চমেণ্ট অৱ ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট, ২০০২-ৰ সৈতে পঠিত ছিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ, ২০০২-ৰ ৰুল ৮(৬) আৰু ৰুল ৯(১)-ৰ অধীনত স্থাৱৰ সম্পত্তি বিক্ৰীৰ ১৫ দিনীয়া ই-নিলাম জাননী
সাধাৰণ ৰাইজ তথা বিশেষভাৱে তলত উল্লেখ কৰা ঋণগ্ৰহণকাৰী আৰু/বা সহ-ঋণগ্ৰহণকাৰী বা তেওঁলোকৰ আইনী উত্তৰাধিকাৰী/প্ৰতিনিধিসকলক (ঋণগ্ৰহণকাৰীসকল) জাননী দিয়া হয় যে টাটা কেপিটেল হাউছিং ফাইনেঞ্চ লিঃ (টিচিএইচএফএল)-ৰ ওচৰত বন্ধক হৈ থকা তলত বৰ্ণনা কৰা স্থাৱৰ সম্পত্তি, যাৰ দখল টিচিএইচএফএলৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়াই লৈছে, তলত উল্লেখ কৰা ঋণগ্ৰহণকাৰী আৰু সহ-ঋহণকাৰীসকলৰ পৰা বাকী থকা ধন উদ্ধাৰৰ বাবে **২৭-০৮-২০২৬** তাৰিখে **"যি স্থানত যি অৱস্থাত আছে", "যি ৰূপত আছে" আৰু "যিয়েই উপলব্ধ আছে" আৰু "কোনো প্ৰত্যাহ্বান নথকাৰ ভিত্তিত"** বিক্ৰী কৰা হ'ব। সংৰক্ষিত মূল্য আৰু বায়না ধনৰ জমা তলত উল্লেখ কৰা হৈছে। এয়া জাননী দিয়া হয় যে, বিক্ৰী স্থগিত বা বন্ধ কৰা নহ'লে, উক্ত সুৰক্ষিত সম্পদ / সম্পত্তি উক্ত ২৭-০৮-২০২৬ তাৰিখে বিয়লি ২.০০ বজাত ই-নিলামৰ জৰিয়তে বিক্ৰী কৰা হ'ব। ই-নিলামত অংশগ্ৰহণৰ বাবে ইএমডি ডীমাণ্ড ড্ৰাফ্ট থকা মোহৰমৰা খাম ২৬-০৮-২০২৬ তাৰিখৰ বিয়লি ৫.০০ বাজি যোৱাৰ পূৰ্বে টিচিএইচএফএলৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ ওচৰত শাখাৰ ঠিকনা **টাটা কেপিটেল হাউছিং ফাইনেঞ্চ লিমিটেড,** টিচিএইচএফএল, ৩০১, ৰয়েল আৰ্কেড, ৩য় মহলা, বি বৰুৱা ৰোড, গুৱাহাটী, পিন - ৭৮১০০৭, অসমত জমা দিব লাগিব।
সুৰক্ষিত সম্পদ/স্থাৱৰ সম্পত্তিৰ বিক্ৰী তলত চমুকৈ বৰ্ণনা কৰা অনুসৰি "যি স্থানত যি অৱস্থাত আছে" চৰ্তত হ'ব;

ক্ৰমিক নং	ঋণ একাউণ্ট নং	ঋণগ্ৰহণকাৰী/সহ-ঋণগ্ৰহণকাৰী/আইনী উত্তৰাধিকাৰী/আইনী প্ৰতিনিধি/ জামিনদাৰৰ নাম	দাবী জাননীৰ তাৰিখ	সংৰক্ষিত মূল্য	বকেয়া পৰিমাণ
1.	TCHHF053600010000 7711	মফিদা বেগমে বৰা আব্বাছ আলী মাহমুদুল আলম	২৩,৩২,৬১৮/- টকা ১৪-০৭-২০২৩	২২,৫০,০০০/- টকা বায়না ধনৰ জমা ঃ - ২,২৫,০০০/- টকা দখলৰ প্ৰকাৰ ঃ - ভৌতিক	৪০৭৩১০২/-টকা ৩১-০৭-২০২৬
স্থাৱৰ সম্পত্তিৰ বিৱৰণ ঃ অসমৰ কামৰূপ জিলাৰ ৰঙিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত পূব কছাৰীমহল মৌজাৰ চিৰাখুন্দি ৰাজহ গাঁৱৰ ১৮৫ নং কে.পি. পট্টাৰ ৪৯০ নং দাগেৰে আবৃত্ত ২ কঠা কালিৰ এটুকুৰা স্থাৱৰ সম্পত্তি। সম্পত্তিটোৰ চাৰিসীমা ঃ পূবে ঃ মেহেৰ আলী, পশ্চিমে ঃ পি.ডব্লিউ.ডি. পথ, উত্তৰে ঃ বিজুলী বোৰ্ড, দক্ষিণে ঃ ছাবেদুৰ ৰহমান					
2.	TCHHF0536000100192743 & TCHIN0536000100194192	নৰ কান্ত বড়ো সংগীতা বড়ো	৩৯,৯০,৩৯০/- টকা ১২-০৮-২০২৪	৩৫,০০,০০০/- টকা বায়না ধনৰ জমা (ইএমডি) ঃ - ৩,৫০,০০০/- টকা দখলৰ প্ৰকাৰ ঃ - ভৌতিক	৪৮৮৫৩৫৬/-টকা ৩১-০৭-২০২৬
স্থাৱৰ সম্পত্তিৰ বিৱৰণ ঃ অসমৰ কামৰূপ জিলাৰ কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত পাটিদৰং মৌজাৰ বৰদাগেৰীকুছি ৰাজহ গাঁৱৰ ৩৫৯ নং কে.পি. পট্টাৰ ৯১০ নং দাগেৰে আবৃত্ত ১ বিঘা কালিৰ এটুকুৰা স্থাৱৰ সম্পত্তি, চাৰিসীমা ঃ পূবে ঃ বিক্ৰেতাৰ নিজৰ মাটি, পশ্চিমে ঃ পথ, উত্তৰে ঃ পথ, দক্ষিণে ঃ বাণীকান্ত বড়ো, প্ৰকাশ্য তথ্য ঃ টিচিএইচএফএলৰ বিৰুদ্ধে ঋণগ্ৰগণকাৰীয়ে দাখিল কৰা ছিকিউৰিটাইজেচন আবেদন (এছএ ৯৫ অৱ ২০২৫) গুৱাহাটী ডিআৰটিত বিচাৰাধীন হৈ আছে, উক্ত গোচৰত টিচিএইচএফএলৰ বিৰুদ্ধে কোনো স্থগিতাদেশ প্ৰদান কৰা হোৱা নাই।					

টোকা ঃ বিড জমাদানকাৰীসকলক বিড দাখিল কৰাৰ পূৰ্বে যথোচিত তদন্ত সম্পন্ন কৰিবলৈ পৰামৰ্শ দিয়া হ'ল। নিলাম প্ৰক্ৰিয়া আইনী গোচৰ বা বিবাদ (যদি থাকে) ৰ ৰায়ৰ অধীন হ'ব।
নিলামত, সাধাৰণ ৰাইজক ব্যক্তিগতভাৱে নিজৰ বিড দাখিল কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছে। অৱশ্যে, এই বিক্ৰী প্ৰক্ৰিয়াৰ সৈতে সম্পৰ্কিত কোনো দায়িত্ব পালন কৰা বিষয়া বা আন কোনো ব্যক্তিয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে বিক্ৰী হ'বলগীয়া স্থাৱৰ সম্পত্তিৰ কোনো স্বাৰ্থৰ বাবে বিড দিব, অৰ্জন কৰিব বা অৰ্জন কৰাৰ চেষ্টা কৰিব নোৱাৰিব। এই বিক্ৰী ছিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ, ২০০২-ত নিৰ্ধাৰিত চৰ্তসমূহ আৰু নিম্নলিখিত অতিৰিক্ত চৰ্তসমূহৰ অধীন হ'ব:
টোকা ঃ সম্পত্তিৰ ই-নিলাম **২৭-০৮-২০২৬ তাৰিখে বিয়লি ২.০০ বজাৰ পৰা ৩.০০ বজাৰ** ভিতৰত http:.//XpertAuction.com পৰ্টেলৰ জৰিয়তে প্ৰত্যেকবাৰতে ৫ মিনিটৰ সীমিত সম্প্ৰসাৰণৰ সৈতে অনুষ্ঠিত হ'ব।
নিয়ম আৰু চৰ্তাৱলীসমূহ ঃ ১. ইয়াত তলৰ সূচীত উল্লেখ কৰা বিৱৰণসমূহ নিম্নস্বাক্ষৰকাৰীৰ সৰ্বোত্তম তথ্য অনুসৰি উল্লেখ কৰা হৈছে, কিন্তু এই ঘোষণাৰ কোনো ভুল, ভুল তথ্য বা ভুলবশতঃ বাদ পৰা কথাৰ বাবে নিম্নস্বাক্ষৰকাৰী দায়বদ্ধ নহ'ব। বিডৰ পৰিমাণ বা বিড কৰোঁতাক লৈ কোনো বিবাদৰ সৃষ্টি হ'লে, কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ স্বেচ্ছাধীন ক্ষমতা সাপেক্ষে স্থাৱৰ সম্পত্তিটো পুনৰ নিলামৰ বাবে ৰখা হ'ব। ২. সংৰক্ষিত মূল্যতকৈ কম মূল্যত স্থাৱৰ সম্পত্তি বিক্ৰী কৰা নহ'ব। ৩. বিড বৃদ্ধিৰ পৰিমাণ হ'ব: ১০,০০০/- টকা (কেৱল দহ হাজাৰ টকা)। ৪. সম্পত্তি ক্ৰয়ৰ বাবে দাখিল কৰা সকলো বিডৰ সৈতে শাখাৰ ঠিকনাত পৰিশোধযোগ্য **"টাটা কেপিটেল হাউচিং ফাইনেঞ্চ লিমিটেড"** ৰ নামত ডীমাণ্ড ড্ৰাফ্টৰ জৰিয়তে ওপৰত উল্লেখ কৰা ধৰণে বায়না ধন (ইএমডি) থাকিব লাগিব। নিলামৰ পিছত অসফল বিডদাতাসকলক ডীমাণ্ড ড্ৰাফ্টসমূহ ঘূৰাই দিয়া হ'ব। এনইএফটি/আৰটিজিএছ/আইএমপিএছৰ মাধ্যমেৰে ইএমডি পৰিশোধৰ বাবে অনুগ্ৰহ কৰি কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ সৈতে যোগাযোগ কৰক। ৫. সৰ্বোচ্চ বিডদাতাক সফল বিডদাতা হিচাপে ঘোষণা কৰা হ'ব, কিন্তু চৰ্ত থাকে যে তেওঁ আইনীভাৱে বিড দিয়াৰ বাবে যোগ্য হ'ব লাগিব আৰু বিডৰ পৰিমাণ সংৰক্ষিত মূল্যতকৈ কম নহয়। যেতিয়া আগবঢ়োৱা মূল্য অতি স্পষ্টভাৱে অপৰ্যাপ্ত যেন লাগে, যাৰ বাবে সেয়া গ্ৰহণ কৰাটো যুক্তিযুক্ত নহয়, তেন্তে সৰ্বোচ্চ বিড অগ্ৰাহ্য কৰাৰ ক্ষমতা কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ স্বেচ্ছাধীন হ'ব। ৬. লিখিত কাৰণ উল্লেখ কৰি, বিক্ৰী স্থগিত বা বন্ধ কৰাৰ ক্ষমতা কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ স্বেচ্ছাধীন হ'ব। ৭. পূৰ্বানুমতি লৈ **১৯-০৮-২০২৬** তাৰিখে ৰাতিপুৱা ১১:০০ বজাৰ পৰা বিয়লি ৫:০০ বজাৰ ভিতৰত স্থাৱৰ সম্পত্তিটো নিৰীক্ষণ কৰিব পাৰিব। ৮. সফল বিডদাতা হিচাপে ঘোষিত ব্যক্তিয়ে এনে ঘোষণাৰ লগে লগে ২৪ ঘণ্টাৰ ভিতৰত ক্ৰয় মূল্য/বিডৰ ২৫ শতাংশ ধন (য'ত ইএমডিৰ পৰিমাণো অন্তৰ্ভুক্ত থাকিব) কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ ওচৰত জমা দিব লাগিব আৰু এনে ধন জমা দিয়াত ব্যৰ্থ হ'লে, সম্পত্তিটো লগে লগে ব্যক্তিগত চুক্তিৰ জৰিয়তে নতুন নিলাম/বিক্ৰীৰ বাবে ৰখা হ'ব। ৯. যদি উপৰিউক্ত ধৰণে প্ৰাৰম্ভিক ধন জমা কৰা হয়, তেন্তে ক্ৰয় মূল্যৰ বাকী থকা পৰিমাণ ক্ৰেতাই সম্পত্তিৰ বিক্ৰী নিশ্চিত হোৱা তাৰিখৰ পৰা ১৫ দিনৰ ভিতৰত বা তাৰ পূৰ্বে (উক্ত দিনটো বাদ দি) কৰ্তৃত্বপ্ৰাপ্ত বিষয়াক পৰিশোধ কৰিব লাগিব, বা ১৫ নম্বৰ দিনটো দেওবাৰ বা অন্য বন্ধৰ দিন হ'লে, ১৫ নম্বৰ দিনটোৰ পিছৰ প্ৰথম কাৰ্যালয়ৰ দিনত পৰিশোধ কৰিব লাগিব। ১০. উপৰিউক্ত সময়ছোৱাৰ ভিতৰত কোনো ধন পৰিশোধ নকৰিলে, সম্পত্তিটো নতুন নিলাম/ব্যক্তিগত চুক্তিৰ জৰিয়তে বিক্ৰীৰ বাবে ৰখা হ'ব। ইএমডি ধৰি জমা কৰা ধন টাটা কেপিটেল হাউচিং ফাইনেঞ্চ লিমিটেডৰ দ্বাৰা বাজেয়াপ্ত হ'ব আৰু ডিফল্ট কৰা ক্ৰেতাই সম্পত্তিৰ ওপৰত সকলো দাবী হেৰুৱাব। ১১. **টাটা কেপিটেল হাউচিং ফাইনেঞ্চ লিমিটেডৰ** জ্ঞাত কোনো দায়বদ্ধতা, আইনী গোচৰৰ বিৱৰণ, যাৰ বাবে সম্পত্তিটো দায়বদ্ধ: ওপৰৰ তালিকা অনুসৰি। ইচ্ছুক বিডদাতাক বিড দাখিল কৰাৰ পূৰ্বে পৌৰ কৰ, বিজুলী মাচুল আদিৰ সংবিধিবদ্ধ দায়বদ্ধতাকে ধৰি সম্পত্তিৰ ওপৰত থকা দায়বদ্ধতা সম্পৰ্কে নিজাকৈ স্বাধীন তদন্ত কৰিবলৈ পৰামৰ্শ দিয়া হ'ল। ১২. ই-নিলাম সম্পৰ্কীয় অন্য কোনো বিৱৰণ বা অনলাইন প্ৰশিক্ষণ প্ৰক্ৰিয়াৰ বাবে প্ৰাৰ্থী বিডদাতাসকলে সেৱা প্ৰদানকাৰী, নৰোৱয়ন প্ৰপটেক প্ৰাইভেট লিমিটেড (এ'পাৰ্টঅকচন), ২০৩, ২য় মহলা, শ্যাম পলেচ, ছে'ৰ ৪ আৰু ৫ ক্ৰছিং, ৰেলৱে ৰোড, গুৰুগ্ৰাম, হাৰিয়ানা ১২২০০১, ইমেইল আইডি - eauctions@XpertAuction.com বা **মনীষ বানচাল**, ইমেইল আইডি **Manish.Bansal@tatacapital.com** **কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ মোবাইল নম্বৰ ৮৫৮৮৯৮৩৬৯৬**-ৰ সৈতে যোগাযোগ কৰিব পাৰে। অনুগ্ৰহ কৰি আপোনাৰ প্ৰশ্ন হোৱাটছএপ নম্বৰ — ৯৯৯৯০৭৮৬৬৯-ত প্ৰেৰণ কৰক। ১৩. সৰ্বোচ্চ ঘোষিত বিডৰ পৰিমাণৰ ওপৰত সৰ্বোচ্চ বিডদাতাই ১% টিডিএছ প্ৰদান কৰিব লাগিব। সৰ্বোচ্চ বিডদাতাই মালিক/ঋণগ্ৰহণকাৰীৰ পেনত এই ধন জমা কৰিব লাগিব আৰু চালানৰ প্ৰতিলিপি আমাৰ কোম্পানীত জমা দিব লাগিব। ১৪. উপৰিউক্ত বিৱৰণৰ বাবে সুৰক্ষিত ঋণদাতাৰ ৱেবছাইট 064https.//surl.li/yxtabif-ত দিয়া তলৰ লিংকটো চাওক। ১৫. অনুগ্ৰহ কৰি এই লিংকটোও চাওক: https://www.tatacapital.com/property-disposal.html বিশেষ দ্ৰষ্টব্য - এই সম্পত্তিৰ বিক্ৰী/নিলামৰ বাবে উল্লেখ কৰা নিলাম অংশীদাৰৰ বাহিৰে চিটিএইচএফএলে অন্য কোনো দালাল/এজেণ্ট নিযুক্ত কৰা নাই। আগ্ৰহী পক্ষসমূহে এই বিষয়ত সকলো প্ৰশ্ন আৰু অনুসন্ধানৰ বাবে কেৱল নিম্নস্বাক্ষৰকাৰী বা কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ সৈতে যোগাযোগ কৰা উচিত।
স্থান ঃ অসম
তাৰিখ ঃ ১০-০৮-২০২৬
স্বা/- কৰ্তৃত্বপ্ৰাপ্ত বিষয়া
টাটা কেপিটেল হাউছিং ফাইনেঞ্চ লিঃ